# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-04-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

১। চন্দ্ৰপুৰৰ মহাকাশ নিৰীক্ষণ কেন্দ্ৰৰ বাবে জানুৱাৰীত ইছ্‌ৰোৱে ৰাডাৰ স্থাপন কৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্য।

২। ৰাজ্যৰ কেইবাটাও পথৰ উন্নয়ন তথা সম্প্ৰসাৰণ সন্দৰ্ভত ঘাইপথ আন্তঃগাঁথনি উন্নয়ন নিগম লিমিটেডৰ সঞ্চালকৰ সৈতে নতুন দিল্লীত মুখ্যমন্ত্ৰীৰ বৈঠক।

৩। ৰাজ্যত অবৈধ খনন ৰোধৰ বাবে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ শীঘ্ৰে অসম ক্ষুদ্ৰ খনিজ ৰেহাই বিধি কাৰ্যকৰী কৰাৰ পোষকতা।

৪। দুদিনীয়া ভ্ৰমণসূচীৰে কাজিৰঙাত উপস্থিত হোৱা ক্ৰিকেটাৰ শচীন টেণ্ডুলকাৰৰ আজি পুৰা ৰাষ্ট্ৰীয় উদ্যান ভ্ৰমণ।

**আৰু**

৫। মুম্বাইত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে ৰয়েল চেলেঞ্জাৰ্ছৰ জয়লাভ।

০০০০০

চন্দ্ৰপুৰত ইছৰ'ৰে স্থাপন কৰিবলগীয়া মহাকাশ নিৰীক্ষণ কেন্দ্ৰৰ বাবে অহা জানুৱাৰীত মহাকাশ গৱেষণা কেন্দ্ৰটোৱে ৰাডাৰ স্থাপন কৰিব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি নতুন দিল্লীত সাংবাদিকৰ আগত প্ৰকাশ কৰিছে। কালি ভাৰতীয় মহাকাশ গৱেষণা সংস্থা – ইছৰ'ৰ অধ্যক্ষ ভি নাৰায়ণনৰ সৈতে নতুন দিল্লীত এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হোৱাৰ পাছত মুখ্যমন্ত্ৰী ড০ শৰ্মাই সাংবাদিকৰ আগত এই কথা সদৰি কৰিছে।

অসম চৰকাৰে নিজাকৈ স্থাপন কৰিবলগীয়া কৃত্ৰিম উপগ্ৰহ সন্দৰ্ভতো তেওঁ ইছৰোৰ অধ্যক্ষগৰাকীৰ সৈতে আলোচনা কৰা বুলি জনাইছে। মুখ্যমন্ত্ৰীগৰাকীয়ে সদৰী কৰা মতে, বৈঠকত ৰাজ্য চৰকাৰে নিজাকৈ স্থাপন কৰিবলগীয়া ASSAM TECH নামৰ কৃত্ৰিম উপগ্ৰহটোৰ বাবে ৰাজ্য চৰকাৰ আৰু ইছৰ'ৰ মাজত বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰা সন্দৰ্ভতো আলোচনা কৰা হয়। তদুপৰি লো অৰ্বিত অৰ্থাৎ কম উচ্চতাসম্পন্ন কক্ষপথত স্থাপন কৰাবলগীয়া আন ছয়-সাতটা উপগ্ৰহৰ বিষয়টোৱেও কালি বৈঠকত স্থান লাভ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই সাংবাদিকৰ আগত প্ৰকাশ কৰা মতে অসমৰ ভূখণ্ডত অবিৰতভাৱে দৃষ্টি নিবদ্ধ ৰখাকৈ ৰাজ্য চৰকাৰে আছাম টেক নামৰ কৃত্ৰিম উপগ্ৰহটো উৎক্ষেপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ লগতে কেৰল অসমৰ মাটিত চকু ৰখাকৈ আৰু ৬-৭টা

উপগ্ৰহ স্থাপনৰ বাবে চিন্তা-চৰ্চা কৰিছে। কম উচ্চতাসম্পন্ন কক্ষপথত অৱস্থান কৰাবলগীয়া উপগ্ৰহসমূহ অনুপ্ৰৱেশ ৰোধ কৰিব পৰাকৈ সীমান্ত সুৰক্ষা, বানৰ দৰে দুৰ্যোগ ব্যৱস্থাপনা, কৃষি ক্ষেত্ৰত উন্নত প্ৰযুক্তিৰ প্ৰয়োগ, আন্তঃগাঁথনিৰ উন্নয়ন তথা পৰিকল্পনা আৰু আৰক্ষী ব্যৱস্থাপনাৰ উন্নয়ন সাধনৰ বাবে স্থাপন কৰা হ'ব।

ooooo

ৰাষ্ট্ৰীয় ঘাইপথ আৰু আন্তঃগাঁথনি উন্নয়ন নিগম লিমিটেডৰ দ্বাৰা ৰাজ্যখনত ৰূপায়িত আন্তঃগাঁথনি প্ৰকল্পসমূহৰ শেহতীয়া স্থিতি সম্পৰ্কে কালি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সংস্থাটোৰ পৰিচালন সঞ্চালক ড° কৃষণ কুমাৰৰ সৈতে আলোচনা কৰে। সংস্থাটোৰ অধীনত ২৫ হাজাৰ কোটি টকাৰ গুৱাহাটী-শিলচৰ এক্সপ্ৰেছ ঘাইপথ প্ৰকল্প, নুমলীগড়-গহপুৰ সংযোগী সুৰংগ পথ আৰু বাইহাটা চাৰিআলি-তেজপুৰ আৰু গহপুৰ-কুলাজান ৰাষ্ট্ৰীয় ঘাইপথ নেটৱৰ্কৰ সম্প্ৰসাৰণ প্ৰকল্প ৰূপায়ণ কৰা হৈছে। নতুন দিল্লীত কালি মুখ্যমন্ত্ৰীয়ে  কেন্দ্ৰীয় সাৰ দপ্তৰৰ সচিব ৰজত কুমাৰ মিশ্ৰক সাক্ষাৎ কৰে। শেহতীয়াকৈ কেন্দ্ৰীয় মন্ত্ৰীসভাই অনুমোদন জনোৱা নামৰূপৰ ব্ৰহ্মপুত্ৰ উপত্যকা সাৰ নিগম লিমিটেডৰ ব্ৰাউন ফিল্ড এম'নিয়া পৰিসৰ নিৰ্ধাৰিত সময়ত সম্পূৰ্ণ কৰা সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে সচিবগৰাকীৰ সৈতে আলোচনা কৰে।

oooooo

ৰাজ্যত সমাগত পঞ্চায়ত নিৰ্বাচনৰ বাবে বিভিন্ন জিলাত প্ৰস্তুতি অব্যাহত আছে। জিলা প্ৰশাসনসমূহে বৈঠক অনুষ্ঠিত কৰি এই নিৰ্বাচনৰ বিভিন্ন দিশ পৰ্যালোচনা কৰিছে। ইপিনে, ৰাজনৈতিক দলসমূহে এই নিৰ্বাচনৰ বাবে তৎপৰতা আৰম্ভ কৰিছে।

ডিব্ৰুগড়ৰ জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ সভাপতিত্বত জিলা আয়ুক্ত কাৰ্যালয়ত কালি স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলৰ প্ৰতিনিধিসকলৰ সৈতে সমাগত পঞ্চায়ত নিৰ্বাচন সন্দৰ্ভত এখন সভা অনুষ্ঠিত হয়। সভাত নিৰ্বাচনী বিষয়াই পঞ্চায়ত নিৰ্বাচনৰ মনোনয়ন পত্ৰ দাখিল, প্ৰাৰ্থীৰ নিৰ্বাচনী চিহ্নৰ বাছনি তথা নিৰ্বাচনৰ বিভিন্ন নিয়মাৱলী সন্দৰ্ভত প্ৰতিনিধিসকলক অৱগত কৰে। সভাত জিলা আয়ুক্তই এই নিৰ্বাচনী প্ৰক্ৰিয়া সুচাৰুৰূপে পৰিচালনাত সহযোগিতা আগবঢ়াবলৈ সকলোৰে প্ৰতি আহ্বান জনায়। ডিব্ৰুগড়ত পঞ্চায়ত নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত জিলাখনৰ পৰা আমাৰ সংবাদদাতা যাদৱ গগৈয়ে এইদৰে কয় –

-ভইচ-

কামৰূপ জিলা প্ৰশাসনেও এই নিৰ্বাচনৰ যাৱতীয় প্ৰস্তুতি আৰম্ভ কৰাৰ লগতে মনোনয়ন প্ৰক্ৰিয়া সুকলমে চলোৱাৰ বাবে বিভিন্ন পৰ্যায়ত জিলাখনত ৩৮ গৰাকী আৰু ৰঙিয়া সম জিলাত ৪ গৰাকী বিষয়া নিয়োগ কৰিছে। কামৰূপ নিৰ্বাচনী জিলাৰ অন্তৰ্গত ২৪ খন জিলা পৰিষদ, ১৩৯ খন পঞ্চায়ত আৰু ১৩৯ খন আঞ্চলিক পঞ্চায়ত আছে। জিলাখনৰ চাৰিটা বিধানসভা সমষ্টিত কামৰূপ নিৰ্বাচনী জিলাই আৰু দুটা সমষ্টিত ৰঙিয়া সম জিলাই নিৰ্বাচন অনুষ্ঠিত কৰিব।

বৰপেটা জিলাৰ অন্তৰ্গত পৰিষদসমূহত আসন বুজাবুজিৰ বাবে কালি বিজেপি আৰু অগপৰ নেতাসকলৰ মাজত এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, জয়ন্ত মল্লবৰুৱা আৰু সাংসদ ফণীভূষণ চৌধুৰীয়ে অংশগ্ৰহণ কৰে। বৈঠকত নিৰ্বাচনী ৰণকৌশল সন্দৰ্ভত অগপ আৰু বিজেপিৰ নেতৃত্বৰ মাজত আলোচনা অনুষ্ঠিত হয়।

সমাগত পঞ্চায়ত নিৰ্বাচনত ৰঙিয়া বিধানসভা সমষ্টিত বিজেপিয়ে মিত্ৰতাৰ ধৰ্ম পালন কৰি বুজাবুজিৰে প্ৰতিদ্বন্দ্বিতা কৰিব বুলি ৰঙিয়া সমষ্টিৰ বিজেপিৰ বিধায়ক ভবেশ কলিতাই প্ৰকাশ কৰিছে। বিধানসভা সমষ্টিটোৰ অন্তৰ্গত ২৫ খন পঞ্চায়ত আৰু ৪ খন জিলা পৰিষদত বিজেপিৰ সৈতে মিত্ৰদলসমূহে বুজাবুজিৰ মাজেৰে আসনৰ ভাগ-বটোৱাৰা কৰিব বুলি বিধায়কগৰাকীয়ে জানিবলৈ দিছে।

পঞ্চায়ত নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত শোণিতপুৰ জিলাৰ তেজপুৰ, ৰঙাপাৰা আৰু বৰচলা বিধানসভা সমষ্টিৰ অন্তৰ্গত গাঁও পঞ্চায়তৰ বাবে বিশেষ ব্যৱস্থা লোৱা হৈছে। এই অনুসৰি জিলা আয়ুক্তৰ কাৰ্যালয়ত প'ষ্টেল বেলট পেপাৰ, ই ডি চি কোষ আৰু ড্ৰপ বক্স সুবিধা কেন্দ্ৰ স্থাপন কৰা হৈছে।

উল্লেখযোগ্য যে পঞ্চায়ত নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়া ৩ এপ্ৰিলত আৰম্ভ হৈছে আৰু ১১ এপ্ৰিলত অন্ত পৰিব। ১২ এপ্ৰিলত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। ১৭ এপ্ৰিল মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন। সেইদিনাই চূড়ান্ত প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হ'ব।

০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে ৰাজ্যত অবৈধ খনন ৰোধ কৰাৰ বাবে শীঘ্ৰে অসম ক্ষুদ্ৰ খনিজ ৰেহাই বিধি, ২০২৪ কাৰ্যকৰী কৰাৰ পোষকতা কৰিছে। ৰাজহুৱা স্বাৰ্থজড়িত এখন আবেদন নিষ্পত্তি কৰি কালি উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণয় আৰু ন্যায়াধীশ উন্নী কৃষ্ণ নায়াৰৰ খণ্ড বিচাৰপীঠে অবৈধ খনন ৰোধ কৰাৰ বাবে প্ৰস্তুত কৰা নিৰ্দেশাৱলী ৰাজ্য চৰকাৰে সঠিকভাৱে পালন কৰিব বুলি আশা প্ৰকাশ কৰে। উল্লেখযোগ্য যে, ওদালগুৰি জিলাৰ ধনশিৰি বন সংমণ্ডল এলেকাত এজন লোকে অবৈধভাৱে শিল, বালিৰ খনন চলোৱাক লৈ অঞ্চলটোৰ এজন ব্যক্তিয়ে উচ্চ ন্যায়ালয়ত ৰাজহুৱা স্বাৰ্থজড়িত আবেদন দাখিল কৰিছিল। এই আবেদনৰ শুনানি কালত ৰাজ্য চৰকাৰৰ হৈ বন বিভাগে অসমত অবৈধ খনন ৰোধৰ বাবে ইতিমধ্যে অসম ক্ষুদ্ৰ খনিজ ৰেহাই বিধি ২০২৪ৰ খছৰা প্ৰস্তুত কৰা হৈছে বুলি ন্যায়ালয়ক অৱগত কৰে। বন বিভাগৰ এই তথ্যৰ পাছত উচ্চ ন্যায়ালয়ে নতুন বিধিখন শীঘ্ৰে কাৰ্যকৰী কৰিবলৈ নিৰ্দেশ দিয়ে। ন্যায়ালয়ে লগতে ধনশিৰি বন সংমণ্ডল এলেকাত অবৈধ খনন চলোৱা লোকজনৰ বিৰুদ্ধে ছমাহৰ ভিতৰত আইনী ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০০০

সমগ্ৰ দেশতে কালি মাজনিশাৰ পৰা প্ৰতি লিটাৰ পেট্ৰ'ল আৰু ডিজেলত আৱকাৰী শুল্ক ২ টকাকৈ বৃদ্ধি পাইছে। অৱশ্যে ইয়াৰ ফলত দুয়োবিধ ইন্ধনৰ খুচুৰা মূল্য বৃদ্ধি নহ'ব বুলি তৈল বিপণন কোম্পানীসমূহে প্ৰকাশ কৰিছে। কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ মন্ত্ৰী হৰদীপ সিং পুৰীয়ে কালি নতুন দিল্লীত সাংবাদিকৰ আগত এই বিষয়ে প্ৰকাশ কৰি কয়, যে আৱকাৰী শুল্কৰ এই বৃদ্ধিয়ে গ্ৰাহকসকলৰ ওপৰত প্ৰত্যক্ষভাৱে বিশেষ প্ৰভাৱ নেপেলায়।

ইপিনে, ৰন্ধন গেছৰ চিলিণ্ডাৰৰ মূল্যও ৫০ টকাকৈ বৃদ্ধি কৰা হৈছে। শ্ৰী পুৰীয়ে কয়, যে উজ্জ্বলা যোজনাৰ হিতাধিকাৰীসকলে ৰন্ধন গেছৰ চিলিণ্ডাৰ আজিৰেপৰা ৫৫০ টকাত আৰু অন্য সকলে ৮৫৩ টকাত লাভ কৰিব। অৱশ্যে ইয়াৰ সৈতে ৰাজ্যিক কৰৰ নিৰিখ ধৰা হোৱা নাই।

০০০০০০

ডিজিটেল মাধ্যমে শিশুসকলৰ ওপৰত বিস্তাৰ কৰা প্ৰভাৱ আৰু ইয়াৰ সমাধান সন্দৰ্ভত কালি অসম আৰক্ষীৰ উদ্যোগত গুৱাহাটীত এখন আলোচনাচক্ৰ অনুষ্ঠিত হয়। 'ইনফেনছিয়া' শীৰ্ষক শিশু অধিকাৰ সম্পৰ্কীয়

দেশৰ প্ৰথমখন আলোচনাচক্ৰত অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমিত সিং আৰু বলিউদৰ অভিনেত্ৰী নেহা ধুপীয়াৰ উপৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশ লয়। এই আলোচনাত ডিজিটেল মাধ্যমসমূহত শিশুৰ অধিকাৰ সুৰক্ষিত কৰাৰ লগতে অনলাইন মাধ্যমে শিশুৰ ওপৰত পেলোৱা প্ৰভাৱ সন্দৰ্ভত আলোচনা কৰা হয়। অনুষ্ঠানত আৰক্ষীৰ সঞ্চালক প্ৰধানগৰাকীয়ে শিশুৰ অধিকাৰ সুৰক্ষিত কৰাৰ বিষয়টো গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিছে বুলি উল্লেখ কৰে। তেওঁ কয়, যে সামাজিক মাধ্যম, সংবাদ মাধ্যমকে ধৰি ডিজিটেল ক্ষেত্ৰত ঘটি থকা ঘটনাসমূহৰ বিষয়ে পিতৃ-মাতৃ, অভিভাৱক আৰু শিক্ষক সমাজ অৱগত হৈ শিশুসকলক সুৰক্ষা দিব লাগিব। কোভিডৰ প্ৰাদুৰ্ভাৱৰ পাছৰে পৰা শিশুৰ বাবে ডিজিটেল মাধ্যম ব্যৱহাৰৰ বিষয়টোৱে ক্ৰমাৎ সমস্যাৰ সৃষ্টি কৰিছে বুলি তেওঁ উল্লেখ কৰে। অভিনেত্ৰী নেহা ধুপীয়াই বিষয়টো সন্দৰ্ভত এইদৰে কয় –

*(বাইট ঃ নেহা)*

oooooo

দুদিনীয়া ভ্ৰমণসূচীৰে কাজিৰঙাত উপস্থিত হোৱা কিম্বদন্তী ক্ৰিকেটাৰ শচীন টেণ্ডুলকাৰে আজি পুৱা হাতী আৰু জীপ ছাফাৰী কৰি ৰাষ্ট্ৰীয় উদ্যানখন ভ্ৰমণ কৰে। ৰাষ্ট্ৰীয় উদ্যানখনত উপস্থিত হোৱাৰ সময়ত অনুৰাগীয়ে তেওঁক সাক্ষাৎ কৰাৰ বাবে ভিৰ কৰে। বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান দৰ্শনৰ বাবে শচীন টেণ্ডুলকাৰে কালি সপৰিয়ালে কঁহৰাত উপস্থিত হৈছিল। কঁহৰাৰ এটা ব্যক্তিগত পৰ্যটন নিবাসত খেলুৱৈগৰাকী পৰিয়ালৰ লোকসকলৰ সৈতে উপস্থিত হোৱাৰ লগে লগে নিবাস কৰ্তৃপক্ষই ঢোলে-ডগৰে, গীতে-মাতে ক্ৰিকেটাৰগৰাকীক আদৰণি জনায়। ক্ৰিকেটাৰগৰাকীৰ আগমনৰ খবৰ পাই কাজিৰঙা ৰিজৰ্টৰ বাহিৰতো ভালেমান অনুৰাগী আৰু গুণমুগ্ধই ভিৰ কৰে। খেলুৱৈগৰাকী তথা তেওঁৰ পৰিয়ালৰ লোকসকলক উদ্যান দৰ্শন কৰোৱাৰ লগতে কাজিৰঙাৰ অন্যান্য ঠাইতো ভ্ৰমণৰ সুবিধা কৰি দিব বুলি ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই জানিবলৈ দিছে। ব্যক্তিগত পৰ্যটন নিবাসৰ গৰাকীয়ে জনোৱা মতে ক্ৰিকেটাৰ গৰাকীৰ পৰিয়ালক অসমৰ থলুৱা খাদ্য সম্ভাৰেৰে আপ্যায়ণ কৰা হৈছে। কাজিৰঙাত উপস্থিত হোৱাৰ পূৰ্বে ক্ৰিকেটাৰ গৰাকীয়ে কালি শ্বিলঙৰ পৰা আহি কলিয়াবৰৰ মিছাত অৱস্থিত পল' ক্লাবত দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰে। পল' ক্লাবতো বহুসংখ্যক অনুগাৰীয়ে খেলুৱৈগৰাকীক গামোচাৰে শুভেচ্ছা জ্ঞাপন কৰে।

oooooo

বি টি আৰত নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজনৈতিক দলসমূহৰ মাজত নিৰ্বাচনী তৎপৰতা বৃদ্ধি পাইছে। চিৰাং জিলাৰ বিজনী মহকুমাৰ পাণবাৰীত কালি ইউ পি পি এল দলৰ এখন যোগদান সভা অনুষ্ঠিত হয়। এই সভাত বি পি এফ, জি এছ পিৰ লগতে বিভিন্ন দল সংগঠনৰ দুহেজাৰৰো অধিক লোকে ইউ পি পি এল দলত যোগদান কৰে। অনুষ্ঠানটোত অংশগ্ৰহণ কৰি বি টি চিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে হাগ্ৰামা মহিলাৰীক তীব্ৰ সমালোচনা কৰে। তেওঁ বি টি আৰত নতুনকৈ গঠন হোৱা ৰাজনৈতিক দলটোক শুভেচ্ছা জনাই কয়, যে গণতান্ত্ৰিক দেশত চাৰি, পাঁচজন লোক লগ হৈও ৰাজনৈতিক দল গঠন কৰিব পাৰে। বি টি চি গঠন হোৱাৰ পৰা এনে বহু ৰাজনৈতিক দলৰ জন্মও হ'ল আৰু নোহোৱাও হ'ল বুলি তেওঁ কয়। বি টি চিৰ ৪০ টা সমষ্টিৰ ভিতৰত সৰহসংখ্যকতেই বৰ্তমান ইউ পি পি এলৰ সাংগঠনিক ভেটি ভাল বুলিও মুখ্য কাৰ্যবাহী সদস্যগৰাকীয়ে উল্লেখ কৰে।

০০০০০০

আজিৰ দিনৰ ১ বাজি কুৰি মিনিটত প্ৰাসংগিক অনুষ্ঠানত  শুনিবলৈ পাব পঞ্চায়ত নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত দৰং জিলাৰ আয়ুক্ত পৰাগ কুমাৰ কাকতীৰ সৈতে এটা সাক্ষাৎকাৰ। সাক্ষাৎ গ্ৰহণ কৰিব আমাৰ মঙলদৈৰ সংবাদদাতা ময়ুখ কুমাৰ গোস্বামীয়ে।

০০০০০০

**আইপিএল টি টুৱেন্টি ক্ৰিকেট প্ৰতিযোগীতাৰ কালি মুম্বাইৰ ৱাংখাড়ে ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ৰয়েল চেলেঞ্জাৰ্চ বেংগালুৰুয়ে মুম্বাই ইণ্ডিয়ানছক ১২ ৰাণত পৰাস্ত কৰে। ৰয়েল চেলেঞ্জাৰ্চ বেংগালুৰুৱে মুম্বাই ইণ্ডিয়ানছক ২২২ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছিল। খেলখনত ৰয়েল চেলেঞ্জাৰ্চ বেংগালুৰুৱে নিৰ্ধাৰিত ২০ অভাৰত পাঁচটা উইকেটৰ বিনিময়ত ২২১ৰাণ সংগ্ৰহ কৰিছিল। ইয়াৰ প্ৰত্যুত্তৰত মুম্বাই ইণ্ডিয়ানছে নিৰ্ধাৰিত ২০ অভাৰত ৯ টা উইকেট হেৰুওৱাই ২০৯ ৰাণ কৰে। ইয়াৰ পূৰ্বে টচত জিকি মুম্বাই ইণ্ডিয়ানছে প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লৈছিল। আজি দিনৰ চাৰে তিনিবজাত কলকাতাৰ ইডেন গাৰ্ডেনছত হবলগীয়া এখন খেলত কলকাতা নাইট ৰাইডাৰছ লক্ষ্ণৌ চুপাৰ জায়েন্টছৰ মুখামুখি হব।**

**পাঞ্জাবত হবলগীয়া আন এখন খেলত পাঞ্জাব কিংছে চেন্নাই চুপাৰ কিংছৰ বিৰুদ্ধে খেলিব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হব।**

০০০০০০

NPR/RNU (08-04-2025, Morn.)

মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ প্ৰতিশুল্ক নীতিৰ বিৰূপ প্ৰভাৱৰ ফলত দেশৰ শ্বেয়াৰ বজাৰৰ বিশেষকৈ ব'ম্বে শ্বেয়াৰ বজাৰ আৰু নিফ্‌টি ফিফ্‌টিৰ সূচকাংক অতি নিম্নগামী হয়। 'ভাৰতৰ এদিনতে লোকচান ১৪ লাখ কোটি' শিৰোনামেৰে **অসমীয়া প্ৰতিদিন** কাকতে সবিস্তাৰে এই বাতৰি প্ৰকাশ কৰিছে। বাতৰিটো অন্যান্য কাকতসমূহেও গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

গুৱাহাটী মহানগৰীৰ ঘৰুৱা আৰু উদ্যোগিক বৰ্জিত পানী বাহিনী আৰু ভৰলু নৈত পেলোৱাৰ ফলত দুয়োখন নৈৰ প্ৰাকৃতিক প্ৰৱাহ বন্ধ হৈ পৌৰবৰ্জিত পানীৰ নলালৈ পৰ্যবসিত হৈছে। 'বাহিনী, ভৰলুৰ পানীত কেৱল বিহ' – শিৰোনামেৰে **দৈনিক অসম** কাকতে এই বাতৰি প্ৰকাশ কৰিছে।

বাংলাদেশৰ অন্তৰৰ্তী চৰকাৰৰ মুৰব্বী মহম্মদ ইউনুছে ভাৰতৰ বাবে উদ্বেগৰ সৃষ্টি কৰি চিকেন নেক অৰ্থাৎ শিলিগুৰি কৰিড'ৰৰ পৰা মাত্ৰ ১২০ কিলোমিটাৰ নিলগত চীনক এটা বিমান ঘাটি নিৰ্মাণৰ দায়িত্ব অৰ্পণ কৰে। এই বাতৰিটো **দৈনিক জনমভূমি** কাকতৰ।

ঘৰুৱা ৰন্ধন গেছৰ চিলিণ্ডাৰৰ দাম একেকোবে ৫০ টকালৈ বৃদ্ধি কৰাৰ পৰিপ্ৰেক্ষিতত চৌদিশে প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এই বাতৰিটো **আমাৰ অসম** কাকতে প্ৰকাশ কৰিছে।

৩৮ লাখ ৫০ হাজাৰ ৭৩৮ টা জবকাৰ্ডধাৰী পৰিয়ালৰ বিপৰীতে মাত্ৰ ১৮ হাজাৰ ৯৬৪ টা পৰিয়ালেহে ১০০ দিনৰ কাম লাভ কৰিছে। এই তথ্যৰে **দৈনিক অগ্ৰদূত** কাকতে ‘এম জি এনৰেগা আঁচনিৰ ব্যৰ্থতা আৰু কেলেংকাৰী সন্দৰ্ভত এটা বিশ্লেষণমূলক বাতৰি প্ৰকাশ কৰিছে।

বাৰিষাৰ সময়ছোৱাত ৰাজ্যখনত দেখা দিব পৰা সম্ভাব্য যিকোনো বান পৰিস্থিতি মোকাবিলা কৰিবলৈ ৰাজ্য চৰকাৰে প্ৰস্তুতি আৰম্ভ কৰিছে। এই উদ্দেশ্যে মন্ত্ৰী কেশৱ মহন্তৰ অধ্যক্ষতাত এন.ডি আৰ এফ আৰু নিপক’ৰ প্ৰতিনিধিৰ সৈতে পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। এই বাতৰি **অসমীয়া খবৰ** কাকতৰ।

সীমান্ত সুৰক্ষা, দুৰ্যোগ ব্যৱস্থাপনা, কৃষিত উন্নত প্ৰযুক্তি প্ৰয়োগৰ উদ্দেশ্যে অসম চৰকাৰৰ নিজা কৃত্ৰিম উপগ্ৰহ আছাম টেক্ সন্দৰ্ভত ভাৰতীয় মহাকাশ গৱেষণা সংস্থাৰ অধ্যক্ষৰে মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাৰ বৈঠকৰ বাতৰিটো **নিয়মীয়া বাৰ্তা** কাকতে প্ৰকাশ কৰিছে। এই বাতৰিটো অন্যান্য কাকতৰ লগতে **দা ছেণ্টিনেল** কাকতেও প্ৰকাশ কৰিছে।

নুমলীগড় শোধনাগাৰৰ অংশীদাৰিত্ব থকা অসম বায়’ ইথানল লিমিটেডে অচিৰেই বাণিজ্যিক উৎপাদন আৰম্ভ কৰিব বুলি **দি আছাম ট্ৰিবিউন** কাকতে বাতৰি প্ৰকাশ কৰিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২০ ডিগ্ৰী ছেলছিয়াছ হ’ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, ত্ৰিপুৰা আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে। আনহাতে নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰত বতৰ শুকান হৈ থাকিব বুলি আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই লগতে প্ৰকাশ কৰিছে।

০০০০০০

সমাপ্ত